# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-12-2024
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

ooooooo

ৰাজ্য চৰকাৰে অসমৰ সামগ্ৰীক বিকাশ আৰু জনতাৰ জীৱনৰ মান উন্নীতকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি কামৰূপ মহানগৰ, শিৱসাগৰ, শোণিতপুৰ আৰু পশ্চিম কাৰ্বি আংলং জিলাত বিভিন্ন আঁচনিৰ বঁটা, সাহায্য তথা প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব।

অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত– কামৰূপ মহানগৰত ৬১২ গৰাকী, শিৱসাগৰত ২ হাজাৰ ৮৪৫, শোণিতপুৰত ৩ হাজাৰ ১৪০ আৰু পশ্চিম কাৰ্বি আংলঙত ৩৫ গৰাকী- তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ন' ডিউজ চাৰ্টিফিকেট বিতৰণ কৰা হ'ব। একেদৰে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত কামৰূপ মহানগৰ জিলাত ৬৮ গৰাকী, শিৱসাগৰত ৮৬ গৰাকী, শোণিতপুৰত ১৭৩ আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৪২ গৰাকী ব্যক্তিলৈ মূলধনী বিনিয়োগৰ ওপৰত ৰাজ সাহায্য আগবঢ়োৱা হ'ব। ইয়াৰ লগতে শিৱসাগৰত ১৮৬টা, শোণিতপুৰত ৩ আৰু পশ্চিম কাৰ্বি আংলং জিলাত ৫টা দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ আজি আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

কামৰূপ মহানগৰ জিলাৰ অনুষ্ঠানটিত কৃষিমন্ত্ৰী অতুল বৰা, শোণিতপুৰত জিলা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহাল আৰু শিৱসাগৰ জিলাত পৰিবহণ মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

আনহাতে পশ্চিম কাৰ্বি আংলং জিলাত প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ২০১ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ, মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ৩ হাজাৰ ৬৮ গৰাকী শিক্ষাৰ্থীক চাইকেল আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰ প্ৰক্ৰিয়াৰে ১১১ গৰাকী শিক্ষাৰ্থীক নগদ পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং মুখ্য অতিথি ৰূপে উপস্থিত থাকিব।

ooooooo

কেন্দ্ৰীয় চৰকাৰৰ চতুৰ্থ সুশাসন সপ্তাহৰ সৈতে সংগতি ৰাখি তিনিচুকীয়া জিলাত আজিৰ পৰা ২৪ ডিচেম্বৰলৈ **প্ৰশাসন গাঁৱৰ ফালে** শীৰ্ষক অভিযান আৰম্ভ হ'ব। প্ৰশাসন যন্ত্ৰক স্বচ্ছ আৰু নিকা কৰাৰ লগতে গ্ৰামাঞ্চলৰ জনতাৰ কাষলৈ লৈ যোৱাটোৱে এই সপ্তাহৰ অন্যতম প্ৰধান লক্ষ্য। এই কাৰ্যসূচীৰ সময়ছোৱাত ৰাইজৰ সকলো ধৰণৰ অভিযোগ নিস্পত্তি কৰাৰ বাবে প্ৰশাসনে চেষ্টা চলাব। প্ৰতিটো উন্নয়ন বিভাগৰ প্ৰতিনিধিয়ে শিবিৰত উপস্থিত থাকি ৰাইজৰ আবেদন গ্ৰহণ কৰাৰ লগতে সমস্যাসমূহ সমাধানৰ চেষ্টা চলাব। এই শিবিৰ জিলাখনৰ চাৰিটা ৰাজহ চক্ৰ ডুমডুমা, মাৰ্ঘেৰিটা, শদিয়া আৰু তিনিচুকীয়া ৰাজহ চক্ৰৰ উপৰি ৭টা উন্নয়ন খণ্ডত অনুষ্ঠিত কৰা হ'ব।

০০০০০০

**দেশৰ পাঁচ বছৰৰ তলৰ শিশুক নি  উমোনিয়াৰোগৰ পৰা  ৰক্ষা কৰাৰ লক্ষ্যৰে  যোৱা ১২ নৱেম্বৰৰ পৰা অহা ২৮ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত চাঁচ (  SAANS) অভিযান আৰম্ভ কৰা হৈছে। শিশুৰ দেহত নিউমোনিয়াৰ লক্ষণসমূহ প্ৰত্যক্ষ কৰিলে শিশুটিক নিকটতম স্বাস্থ্যসেৱা কেন্দ্ৰলৈ লৈ যাবলৈ  স্বাস্থ্য বিভাগে আহ্বান জনাইছে। এই ৰোগৰ প্ৰতিষেধকচৰকাৰী স্বাস্থ্য কেন্দ্ৰসমূহত উপলব্ধ হৈছে৷**

০০০০০০

**এখন দেশ, এটা নিৰ্বাচন** বিধেয়কক লৈ চৰকাৰে কালি ৩১ জন সাংসদৰে যুটীয়া সংসদীয় সমিতি গঠনৰ কথা ঘোষণা কৰে। প্ৰস্তাৱিত সমিতিখনত লোকসভাৰ ২১ জন আৰু ৰাজ্যসভাৰ ১০ জন সদস্য থাকিব। সমিতিৰ সদস্যসকলৰ ভিতৰত বিজেপি নেতা পি পি চৌধুৰী, অনুৰাগ সিং ঠাকুৰ, আৰু পুৰুষোত্তম ভাইৰূপালা, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী আৰু মনীষ তিৱাৰী, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে অন্যতম। বিধেয়ক কেইখনক সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক ২০২৪ কেন্দ্ৰীয় শাসিত প্ৰদেশ আইন (সংশোধনী) বিধেয়ক ২০২৪ হিচাপে নামকৰণ কৰা হৈছে।

০০০০০০

ৰাজ্যত প্ৰথমবাৰৰ বাবে কালি ব্ৰহ্মপুত্ৰত পোৱা শিহুৰ শৰীৰত ক্ষুদ্ৰাকৃতিৰ ইলেকট্ৰনিক ছিপ সংযুক্ত কৰি ইয়াৰ গতিবিধি নিৰীক্ষণৰ প্ৰক্ৰিয়া শুভাৰম্ভ কৰা হৈছে। পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ সহযোগত ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে ৰাজ্যৰ বন বিভাগ আৰু আৰণ্যকৰ সহযোগত এই প্ৰক্ৰিয়া আৰম্ভ কৰে। কুলশী নদীত শিহুৰ গাত প্ৰথমবাৰৰ বাবে এই ছিপ সংযোগ কৰা হৈছে। শিহুক আমাৰ  দেশৰ ৰাষ্ট্ৰীয় জলচৰ প্ৰাণীৰূপে স্বীকৃতি দিয়া হৈছে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত দুয়োটা দলেই এতিয়ালৈ একোখনকৈ খেলত জয়লাভ কৰিছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতে প্ৰথম খেলখনত ৪৯ ৰানত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটো ৯ উইকেটত জয়ী হৈছিল।

০০০০০০

**সমাপ্ত**